# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-March-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

---

**HEADLINES**
::::::::::::::::::

১। অসমকে ধৰি ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ আসন্ন বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা।

২। ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ বাবে অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত ভোটগ্ৰহণ।

৩। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন দলৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ।

৪। প্ৰতিকূল বতৰৰ বাবে কাজিৰঙাৰ কঁহৰা বনাঞ্চলৰ জীপ আৰু হাতী ছাফাৰী কাইলৈৰ পৰা ১৯ মাৰ্চলৈ বন্ধ। ***আৰু***

৫। দেশৰ ৩০ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ৰন্ধন গেছৰ বাণিজ্যিক চিলিণ্ডাৰৰ পৰ্যাপ্ত পৰিমাণৰ মজুত নিশ্চিত কৰা হৈছে বুলি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ্ মন্ত্ৰালয়ৰ প্ৰকাশ।

০০০০০

অসমকে ধৰি ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ আসন্ন বিধানসভা নিৰ্বাচনৰ দিন আজি ঘোষণা কৰা হৈছে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এখন সংবাদমেলত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, যে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ বাবে অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকলে অহা ২৩ মাৰ্চ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব আৰু ২৬ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ২৮ মাৰ্চত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ৪ মে'ত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব।

*(বাইট)*

উল্লেখযোগ্য যে ৰাজ্যত এইবাৰ দুই কোটি ৫০ লাখ ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰ ভিতৰত এক কোটি ২৫ লাখ পুৰুষ, এক কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ জন তৃতীয় লিংগৰ ভোটদাতা আছে। ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়া বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ আৰু অনন্য ব্যৱস্থা বুলি উল্লেখ কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে অসমৰ বিভিন্ন দুৰ্গম ভোটগ্ৰহণ কেন্দ্ৰলৈ প্ৰতিকূল পৰিস্থিতিৰ মাজত নিৰ্বাচনী বিষয়াসকলে যাত্ৰা কৰাৰ কথা প্ৰকাশ কৰে। তেওঁ মাজুলীৰ পৰা প্ৰায় ৫০-৬০ কিলোমিটাৰ দূৰত্ব ফেৰী আৰু ট্ৰেক্টৰেৰে দুৰ্গম পথ অতিক্ৰম কৰি ২৪৮ জন নিৰ্বাচনী বিষয়া অতি পিছপৰা ধনেখনা ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হোৱাৰ কথা জানিবলৈ দিয়ে।

এই সংবাদমেলতে আজি পশ্চিমবংগ, তামিলনাডু, কেৰালাম আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ সময়সূচীও ঘোষণা কৰা হয়। এই অনুসৰি কেৰালাম আৰু পুডুচেৰীত ৯ এপ্ৰিলত এটা পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব। তামিলনাডুত ২৩ এপ্ৰিলত এটা পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব। দুটা পৰ্যায়ত হ'বলগীয়া পশ্চিমবংগ বিধানসভা নিৰ্বাচৰ প্ৰথম পৰ্যায় ২৩ এপ্ৰিল আৰু দ্বিতীয় পৰ্যায় ২৯ এপ্ৰিলত অনুষ্ঠিত হ'ব। আটাইকেইখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভোটগণনা অহা ৪ মে'ত অনুষ্ঠিত হ'ব। নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছতে আটাইকেইখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিৰ্বাচনী আঁচৰণবিধি বলৱৎ হৈছে বুলি শ্ৰী কুমাৰে প্ৰকাশ কৰে।

*(বাইট)*

মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে সংবাদমেলত বিশুদ্ধ ভোটাৰ তালিকা গণতন্ত্ৰৰ আধাৰ বুলি উল্লেখ কৰি কয়, যে এই উদ্দেশ্য আগত ৰাখিয়েই নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়া চলাইছিল। তেওঁ কয় যে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত খোৱাপানী, প্ৰস্ৰাৱগাৰ আদিৰ দৰে ন্যূনতম ব্যৱস্থাসমূহ নিশ্চিত কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে। তেওঁ লগতে কয়, যে নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া অধিক স্বচ্ছ কৰি তোলৰ বাবে ৩০ টা নতুন পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ২০০ ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি তেওঁ লগতে জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে, অসমৰ ১২৬ জনীয়া বিধানসভাৰ কাৰ্যকাল ২০ মে'ত, পশ্চিমবংগৰ ২৯৪ জনীয়া বিধানসভাৰ কাৰ্যকাল ৭ মে'ত আৰু কেৰালাৰ ১৪০ জনীয়া বিধানসভাৰ কাৰ্যকাল ২৩ মে'ত অন্ত পৰিব। তামিলনাডুত ২৩৪ জন সদস্যৰ বিধানসভাৰ কাৰ্যকাল অহা ১০ মে'ত আৰু পুডুচেৰীৰ ৩০ জনীয়া বিধানসভাৰ কাৰ্যকাল ১৫ জুনত অন্ত পৰিব।

ooooo

ৰাজ্যত সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি অব্যাহত আছে। প্ৰিজাইডিং আৰু প্ৰথম পোলিং বিষয়াৰ প্ৰশিক্ষণ সুচাৰুৰূপে সম্পন্ন হোৱাৰ পাছত আজি দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনৰ উদ্যোগত ৪৮৮ গৰাকী দ্বিতীয় পৰ্যায়ৰ পোলিং বিষয়াৰ বাবে নিৰ্বাচন সম্পৰ্কীয় বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। জিলাখনৰ একমাত্ৰ সমষ্টিটোত স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণ ভোটগ্ৰহণ সুনিশ্চিত কৰিবলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে যোৱা ১৩ মাৰ্চৰ পৰা বিশেষ প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কাৰ্যসূচীৰ প্ৰথম দুদিনত ৪৮৮ গৰাকীকৈ প্ৰিজাইডিং আৰু প্ৰথম পৰ্যায়ৰ পোলিং বিষয়াক ভোটগ্ৰহণৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ পাছত আজি আন ৪৮৮গৰাকী দ্বিতীয় পৰ্যায়ৰ পোলিং বিষয়াক ভোটগ্ৰহণৰ প্ৰশিক্ষণ দিয়া হয়। কাৰ্যসূচীৰ চতুৰ্থ দিনা কাইলৈ ৪৮৮গৰাকী তৃতীয় পৰ্যায়ৰ পোলিং বিষয়াক প্ৰশিক্ষণ দিয়াৰ অন্তত প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণৰ অন্ত পৰিব। জিলাখনৰ মুঠ ৪০২টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ১০ শতাংশ ভোটগ্ৰহণ কেন্দ্ৰ সম্পূৰ্ণ মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব।

ooooo

আসন্ন বিধানসভা নিৰ্বাচনৰ মসৃণ প্ৰস্তুতি নিশ্চিত কৰাৰ উদ্দেশ্যে শ্ৰীভূমি জিলাৰ সকলো চৰকাৰী কাৰ্যালয়, বেংক তথা ৰাষ্ট্ৰীয় সংস্থাৰ কাৰ্যালয়সমূহৰ কাম-কাজ দেওবাৰৰ উপৰি বন্ধৰ দিনতো অব্যাহত ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। জিলাখনৰ আয়ুক্তগৰাকীয়ে জাৰি কৰা নিৰ্দেশনা অনুসৰি নিৰ্বাচনী কাম-কাজ

অব্যাহত থকালৈকে সকলো চৰকাৰী কাৰ্যালয়, পি এছ্ ইউ তথা বেংকসমূহৰ কাম-কাজ বন্ধৰ দিনতো চলি থাকিব। প্ৰতিটো কাৰ্যালয়ত কমেও এগৰাকী কাৰ্যালয় সহায়ক আৰু এগৰাকী চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী উপস্থিত থকাটো বাধ্যতামূলক হ'ব। নিৰ্বাচন সম্পৰ্কীয় জৰুৰী নথিপত্ৰসমূহৰ কাম-কাজ সুচাৰুৰূপে অব্যাহত থকাটো সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০

২০২৬ শৈক্ষিক বৰ্ষৰ পৰা ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে অসমৰ বুৰঞ্জী আৰু ভূগোল বিষয় দুটা ছাত্ৰ-ছাত্ৰীয়ে বাধ্যতামূলক বিষয় হিচাপে অধ্যয়ন কৰিব লাগিব। ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ সচিব শ্বাহ নৱাজ চৌধুৰীয়ে এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনা অনুসৰি বুৰঞ্জী আৰু ভূগোল বিষয় দুটা নিয়মীয়া পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হ'ব আৰু শ্ৰেণীত এই বিষয় দুটা বাধ্যতামূলকভাৱে শিকাব লাগিব। অসমৰ চহকী সাংস্কৃতিক, সামাজিক আৰু ভাষিক পৰিচয় ত্বৰান্বিত কৰাৰ বাবে বুৰঞ্জী আৰু ভূগোল বিষয় দুটা বাধ্যতামূলক কৰা হৈছে বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন দলে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। আম আদমী পাৰ্টীয়ে ১৪টা সমষ্টিৰ বাবে প্ৰথম আৰু চূড়ান্ত প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে। আজি ঘোষণা কৰা এই তালিকা অনুসৰি নাওবৈচা সমষ্টিত অচ্যুৎ দাস, ডেৰগাঁৱত পুলিন গগৈ, গহপুৰত জাৰবম কুটুম, মধ্য গুৱাহাটীত অনুৰূপা ডেকাৰজা, খুমটাইত আশিষ হাজৰিকা, শিৱসাগৰত তপন গগৈ, ৰঙানদীত টিকেন্দ্ৰ থাপা, চেঙাত জাহিদুল ইছলাম খান, ন-দুৱাৰত ৰঞ্জিত বড়ো, তিতাবৰত পল্লৱ শইকীয়া, পূব গোৱালপাৰাত জিন্না আমিৰ হুচেইন, ৰহাত বৰুণ বিকাশ দাস, বোকাজানত ৰেণুকা টিমুং পি আৰু বিশ্বনাথত অনন্ত গগৈক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে।

কংগ্ৰেছে কালি নিশা দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালৰ দ্বাৰা স্বাক্ষৰিত পত্ৰখনৰ অনুসৰি কংগ্ৰেছে ২৩টা সমষ্টিত দলীয় প্ৰাৰ্থী দিয়াৰ লগতে ১৫টা সমষ্টি মিত্ৰদললৈ এৰিছে। এই তালিকা অনুসৰি গোলকগঞ্জ সমষ্টিত কাৰ্তিক চন্দ্ৰ ৰয়, বীৰছিং জাৰুৱা সমষ্টিত ৰাজেদ আলী চৌধুৰী, বিলাসীপাৰাত অমৃত বাদছা, মানকাচৰ সমষ্টিত মহিবুৰ ৰহমান, পূব গোৱালপাৰাত আবুল কালাম ৰছিদ আলম, দুধনৈত কিশোৰ কুমাৰ ব্ৰহ্ম, সৃজনগ্ৰামত নুৰুল ইছলাম, মন্দিয়াত আব্দুল খালেক, ছমৰীয়াত ৰেকিবুদ্দিন আহমেদ, ৰঙিয়াত প্ৰাণজিৎ চৌদুৰী, ডিমৰীয়াত কিশোৰ কুমাৰ বৰুৱা, নিউ গুৱাহাটী শান্তনু বৰা, মঙলদৈত ৰিজুমণি তালুকদাৰ, হোজাই জিল্লী চৌধুৰী, ঢেকীয়াজুলিত বাতাছ ওৰাং, ৰঙাপাৰাত কাৰ্তিক চন্দ্ৰ কুৰ্মী, গহপুৰত শংকৰ কুটুম, ধেমাজিত শৈলেন সোণোৱাল, তিনিচুকীয়াত ডেভিদ ফুকন, টিংখাঙত বিপুল গগৈ, দেৰগাঁৱত সাগৰিকা বৰা, ঢলাইত ধ্ৰুৱজ্যোতি পুৰকায়স্থ, দক্ষিণ কৰিমগঞ্জ সমষ্টিত আমিনুৰ ৰছিদ চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

আনহাতে কংগ্ৰেছৰ মিত্ৰদলক দিয়া সমষ্টিকেইটা হ'ল– ভৱানীপুৰ-সৰভোগ, বজালী, পলাশবাৰী, মধ্য গুৱাহাটী, গোৰেশ্বৰ, মৰিগাঁও, বড়মপুৰ, বিন্যাকান্দি, বিহালী, শদিয়া, ডিব্ৰুগড়, খোৱাং, সৰুপথাৰ, ডিফু আৰু আম্ৰী। ইয়াৰে ১১টা সমষ্টিত অসম জাতীয় পৰিষদ, দুটা সমষ্টিত এ পি এইচ এল চি আৰু দুখন আসন চি পি আই এম এলৰ প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব আগবঢ়াব। উল্লেখযোগ্য যে কংগ্ৰেছে ইয়াৰ পূৰ্বে ৪২টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নামেৰে প্ৰথমখন তালিকা প্ৰকাশ কৰিছিল। কালি প্ৰকাশিত কংগ্ৰেছৰ প্ৰাৰ্থীৰ তালিকাত নাম সন্নিৱিষ্ট নোহোৱাত

কংগ্ৰেছ নেতা কুশল শৰ্মাই দলৰ সকলো বিষয়বাবৰ লগতে প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰে। কংগ্ৰেছৰ বিৰুদ্ধে অসন্তুষ্টি প্ৰকাশ কৰি ইতিমধ্যে ৰাইজৰ দলে মিত্ৰতাৰ পৰা বাহিৰ হৈছে। ৰাইজৰ দলে কালিৰ দিনটোতে দুটা সমষ্টিৰ প্ৰাৰ্থীৰ নামেৰে তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি ৰাইজৰ দলৰ হৈ নাওবৈচা সমষ্টিত হৰিকান্ত দাস আৰু অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ধেমাজি সমষ্টিত বাবুল সোণোৱালক প্ৰাৰ্থিত্ব দিয়া হৈছে।

বিজেপিয়ে ১৮ মাৰ্চত বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি বিজেপিৰ প্ৰাৰ্থীৰ তালিকাত বহুকেইখন নতুন মুখ থাকিব। বৰাকৰ ১০টা সমষ্টিত বিজেপিয়ে আৰু তিনিটা সমষ্টিত অগপই প্ৰতিদ্বন্দ্বিতা কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জনাইছে।

ooooo

প্ৰতিকুল বতৰৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চল কাইলৈৰ পৰা ১৯ মাৰ্চলৈ জীপ আৰু হাতী ছাফাৰী বন্ধ থাকিব। আনহাতে বাগৰি বনাঞ্চলত জীপ আৰু হাতী ছাফাৰী অব্যাহত থকাৰ বিপৰীতে বুঢ়াপাহাৰ আৰু অগৰাতলি বনাঞ্চলত পৰ্যটকে জীপ ছাফাৰী কৰিব পাৰিব বুলি আমাৰ সংবাদদাতাই জনাইছে।

ooooo

চৰকাৰে ৰন্ধন গেছৰ ঘৰুৱা চিলিণ্ডাৰৰ লগতে বাণিজ্যিক চিলিণ্ডাৰসমূহৰ বিতৰণতো অগ্ৰাধিকাৰ দিছে। দেশৰ ৩০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ গ্ৰাহকসকলৰ বাবে এই চিলিণ্ডাৰসমূহ উপলব্ধ কৰা হৈছে বুলি পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। দেশজুৰি পেট্ৰ'ল আৰু ডিজেল যথেষ্ট মজুত থকা বুলি মন্ত্ৰালয়ে সদৰি কৰিছে। দেশত ৰন্ধন গেছৰ বিতৰণ ব্যাহত হোৱাৰ কোনো তথ্য লাভ কৰা নাই বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে লগতে কয় যে যোৱা শুকুৰবাৰে দেশত ৮৮ লাখ ৰন্ধন গেছৰ চিলিণ্ডাৰ বুকিং হোৱাৰ পৰিৱৰ্তে কালি ৭৭ লাখ ৰন্ধন গেছৰ চিলিণ্ডাৰ বুকিং কৰা হৈছে।

ooooo

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উদ্যোগত তথা ফীট ইণ্ডিয়াৰ সহযোগত আজি চানডেজ অন চাইকেল শীৰ্ষক চাইকেল ৰেলীৰ আয়োজন কৰা হয়। সমাজত স্বাস্থ্য সচেতনতা বৃদ্ধি কৰাৰ লগতে প্ৰদূষণমুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে দৈনিক আধা ঘণ্টাকৈ শাৰিৰীক ব্যায়াম কৰিবলৈ সকলোকে উৎসাহিত কৰাৰ লক্ষ্য লোৱা হৈছে। ডিব্ৰুগড় জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ চৌহদত অনুষ্ঠিত এই কাৰ্যসূচীত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ক্ৰীড়াপ্ৰেমীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ডিব্ৰুগড় চাইক্লিং ক্লাবৰ সদস্যসকলৰ লগতে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলেও পৰম্পৰাগত নৃত্য প্ৰদৰ্শন কৰে।

ooooo

অহা এপ্ৰিলৰ পৰা ফাষ্টটেগৰ বাৰ্ষিক পাচৰ বাবদ বৰ্তমানৰ মাচুল ৩ হাজাৰ টকাৰ ঠাইত ৩ হাজাৰ ৭৫ টকালৈ বৃদ্ধি কৰা হ'ব। ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে এই মাচুল বৃদ্ধি কৰা বুলি ঘোষণা কৰিছে। উল্লেখযোগ্য যে অবাণিজ্যিক বাহনসমূহে এই সংশোধিত হাৰৰ মাচুল আদায় দি ৰাষ্ট্ৰীয় ঘাইপথৰ এহেজাৰখনতকৈও অধিক পাৰ হ'ব পাৰিব।

ooooo

অবিভক্ত জেংৰাইমুখ আলি-আয়ে-লৃগাং উদযাপন সমিতিৰ উদ্যোগত জেংৰাইমুখ ৰাজৰ গান্ধী ক্ৰীড়া প্ৰকল্পত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত আলি-আয়ে-লৃগাঙৰ আজি সন্ধিয়া সামৰণি পৰে। প্ৰতিকূল বতৰকো নেওচি অঞ্চলটোৰ ভালে সংখ্যক লোকে এই উৎসৱত অংশগ্ৰহণ কৰে। মিচিং ডেকা-গাভৰুৰ ঐনিতমৰ সুৰ, ঢোলৰ ৰগৰ আৰু গুমৰাগ নৃত্যৰে উৎসৱথলী মুখৰ হৈ পৰে। আলি-আয়ে-লৃগাঙৰ সৈতে সংগতি ৰাখি বাৰে ৰহণীয়া সাংস্কৃতিক অনুষ্ঠান আৰু বিভিন্ন শিতানত প্ৰতিযোগিতা অনুষ্ঠিত হয়।

ooooo

অসমৰ বিভিন্ন জিলাৰ ৰেডিঅ' প্ৰেমী শ্ৰোতাসকলক লৈ গঠিত সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘ অসমৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি ধেমাজিত দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। ধেমাজিৰ মাছখোৱাৰ বৰপাক মধ্য ইংৰাজী বিদ্যালয় চৌহদত আয়োজিত কাৰ্যসূচীত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বিনীতা ডেকাক শ্ৰেষ্ঠ ঘোষিকা বঁটা আৰু বাতৰি পৰিৱেশিকা জিণ্টী ৰাণী ডেকাক শ্ৰেষ্ঠ বাতৰি পৰিৱেশিকা বঁটা প্ৰদান কৰা হৈছে। ডিব্ৰুগড কেন্দ্ৰৰ বিন্দু ৰাজখোৱা, গোপা হাজৰিকা, যোৰহাট কেন্দ্ৰৰ গায়ত্ৰী দেৱী, মৃণালী দত্ত শইকীয়া, পূৰৱী ভট্টাচাৰ্য আৰু তেজপুৰ কেন্দ্ৰৰ ত্ৰৈলোক্য বৰা, ৰূপালী বৰাক জনপ্ৰিয় ঘোষক-ঘোষিকা বঁটা আগবঢ়োৱা হয়। এই একেটা অনুষ্ঠানতে আকাশবাণী গুৱাহাটীৰ টিয়কৰ কণ্ঠশিল্পী ৰুণু বৰগোহাঁইক সংগীত শিল্পী বঁটা, জাঁজীৰ সাংবাদিক দিগন্ত শৰ্মাক যুৱ সাংবাদিকতা বঁটা আৰু জাঁজীৰ প্ৰণৱ কুমাৰ দত্তক শ্ৰেষ্ঠ শ্ৰোতা অনুৰাগী বঁটা, টিয়ক জগদুৱাৰৰ মানস জ্যোতি কটকী আৰু ধেমাজী মাছখোৱাৰ অনুপমা শইকীয়াক শ্ৰোতা অনুৰাগী বঁটা প্ৰদান কৰা হয়। মাছখোৱাৰ সংবাদদাতা বীৰেণ কোঁৱৰ আৰু মিণ্টু শইকীয়া, শিৱসাগৰ চাৰিঙৰ পদ্মলোচন খনিকৰক, গৌৰীসাগৰৰ সংবাদদাতা মৃগাংক হাজৰিকাক উৎকৃষ্ট সাংবাদিকিতা বঁটা প্ৰদান কৰা হয়। তদুপৰি আকাশবাণী ডিব্ৰুগড়ৰ তৌফিকা উল্লাহ আৰু ডিব্ৰুগড় কেন্দ্ৰৰ প্ৰচাৰণ কাৰ্যবাহী জিণ্টু চেতিয়াক প্ৰযোজক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত আমন্ত্ৰিত অতিথিসকলক গামোচা, জাঁপি আৰু প্ৰশস্তিপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত **জীৱনৰ বিভিন্ন স্তৰত আকাশবাণীৰ বিভিন্ন অনুষ্ঠানৰ গুৰুত্ব** শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়।

ooooo

সমাপ্ত